নলয়, সি "ইনৈত বুৰে মাৰি সিনৈতে ওলালে।" এই বিচিত্ৰতাৰ ৰহণেই পাছৰ দুফাকিতো ছিটিকি পৰিছেঃ অকল উদটিয়েই নহয়, গাভৰুৰো সেই যৌৱন-লক্ষণ ক'ৰবাৰ মনৰ মাজত বুৰ মাৰি ক'ৰবাত এই শৰীৰত দেখা দিছেহিঙ্গ বাস্তৱতে এক বিচিত্ৰ বিৱৰ্তনৰ যুগ। নৰ-নাৰীৰ এই প্ৰথম পৱিত্ৰ সৌন্দৰ্য্যৰ এই মহাপয়োভৰ কি পৰম উৎসৱ উদ্দেশ্য কৰি উৎসৰ্গিত হৈছে? তাৰ চৰম সাৰ্থকতা কিহত? ফুল যেতিয়া কলি হৈ থাকে, বা ফুলৰপৰা যেতিয়া গুটি হয় তেতিয়া তাৰ কাষলৈ ভোমোৰা নাহে; সেইদৰে নাৰীৰ বাল্যৰূপ আৰু সন্তান প্ৰসৱৰ পিছৰ অৱস্থাত এটা বেলেগ মোহিনী গুণ থাকিব পাৰে, কিন্তু তাত যৌৱনৰ সেই মাদকতা নাথাকে, অৰ্থাৎ সি কোনো ক্ষুধা-তৃষ্ণাৰ কাৰণ নহয়। গতিকে গম ধৰিব পাৰি, যৌৱনত সৌন্দৰ্য্যৰ এই মহাপয়োভৰ কেৱল সৃষ্টি বা সন্তান উৎপাদনৰ পৱিত্ৰ উদ্দেশ্যে এটি সুমঙ্গল অভিযান মাথোন; উভয় পক্ষৰ ৰূপ-যৌৱন, সৃষ্টিৰ বাবে আহ্বান-সঙ্কেত; আৰু প্ৰেম-আকৰ্ষণ, কেৱল সৃষ্টিৰ দাৰুণ ইচ্ছা। ৰূপ-যৌৱন তেন্তে সৃষ্টিৰ পৱিত্ৰ মন্দিৰৰ সিংহদুৱাৰ; যিমান দিনলৈকে প্ৰাণীৰ জড়দেহত সৃষ্টি কৰিবৰ জোখাৰে শক্তি গোট নাখায়, সিমান দিনলৈকে এই সিংহদুৱাৰ মুকলি নহয়। এই উদ্দেশ্যেৰেই পুৰুষ আৰু তিৰোতাৰ নিজ নিজ সৌন্দৰ্য্য নিজৰ অজ্ঞাতে সুকীয়া অৱয়ৱ আশ্ৰয় কৰি সুকীয়াভাৱে ফুটি উঠে, নিজে তাৰ বিশেষ ভু নাপায়; কিন্তু পৰস্পৰে পৰস্পৰৰ ৰূপ-তৃষ্ণাত একেবাৰে মতলীয়া হৈ উঠেঙ্গ "চাউলৰ চিকুণে, খুদ ঐ লাহৰী, চাউলৰ চিকুণে খুদ। ডেকাৰ চিকুণে, ভৰিৰ কলাফুলে....।"

সঁচাকৈয়ে নাৰীৰ শৰীৰ-ৰাজ্যত কামদেৱৰ সেয়ে সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান জয়জয়কাৰ, বিজয় স্তম্ভ। আকৌ সেয়ে কামদেৱৰ হাতে পোতাই ৰখা প্ৰজাপতিৰ পৱিত্ৰ সিধাঙ্গ তাৰ পাছত সন্তান জন্ম সেই দুটি অমৃতৰ পৱিত্ৰ থালি মুখত দিয়েঙ্গ সৃষ্টিকৰ্তাৰ কি চতুৰালিঙ্গ কিন্তু এই যাদুকৰী বিদ্যা, এই পৱিত্ৰ মধুৰ ৰহস্য, আঁৰ-কাপোৰৰ পিছৰপৰাহে। তাক লৈ মানুহে পোনতে অকপটভাৱে উমলিছে বা হাঁহিছে-কান্দিছেঃ "তাই নিদাৰুণী, মৰম লগাই গৈছে, বুকুৰ সুমেথিৰা দি" বা "দুটি সুমেথিৰাৰ, এটি দি পঠিয়াম, উমলি যাবাগৈ বাটত।" বুজা নাই, সি কি অপূৰ্ব মঙ্গল-নিদান, গম পোৱা নাই সি কি ছদ্মৰূপী জগন্নাথ মূৰ্তিঙ্গ বুজা হ'লে, গম পোৱা হ'লে তাৰ কাষ চাপিবলৈ গৈ বুকু কঁপিলহেঁতেন, বিধাতাৰ উদ্দেশ্য বিফল হ'লহেঁতেন। সেই দেখিয়েই হ'বলা প্ৰকৃতিয়ে মোহিনী ভাঙৰ ৰাগি লগাই দি মানুহৰ হাতেৰে নিজ কাম সাধন কৰিছে। কেনে বিতোপন কৌশল, মানুহৰ কেনে সুমধুৰ অজ্ঞানতাঙ্গ "গাৰে জুৰণি ৰি-ৰিয়া বতাহ ঐ, পেটৰে জুৰণি ভাত। বুকুৰে জুৰণি চেনাইৰে দুখনি, কোমল কুমলীয়া হাত।"

এফালে জন্ম আৰু মৰণৰ মাজত জীৱনটো যেনেকৈ পদুমপাতৰ পানীৰ

দৰে টল্‌বলাব লাগিছে, সিফালে হাঁহি-চকুলো, আশা-নিৰাশা, প্ৰেম-ঘৃণা, ভয়-ভক্তি, আবেগ-উদ্বিগ্নতাৰ মাজত সেইদৰে প্ৰকৃত বিশ্ব-সাহিত্যৰ সূত্ৰপাত হৈছে। অনন্ত বাটৰ বাটৰুৱা মানুহৰ এহাতে যিদৰে প্ৰেম, দয়া, অনুভূতি, সিহাতে সিদৰে কঠোৰ কৰ্তব্যজ্ঞান; এপিনে যিভাৱে তেওঁ কৰ্মশীল, সিপিনে সিভাৱে মধুৰ স্বপ্নময়ঙ্গ এই বাহিৰৰ মানুহটোৰ চলন-ফুৰণ, কৰ্ম-তালিকা যেনে লাগতিয়াল, তাৰ ভিতৰত লুকাই থকা মানুহটোৰ সমাজিক বা কল্পনাখিনিৰ লেখ-জোখ তাতকৈ কোনো গুণে তাকৰকৈ লগা কথা নহয়, কিয়নো এই বাহিৰ জগতখনৰ কৰ্ম-কোলাহলৰ গুৰি হৈছে সেই ভিতৰ জগতখন। যি ভাষাত মানৱ প্ৰকৃতিৰ এই প্ৰধান অঙ্গ প্ৰেম, ভক্তি, দয়া, কৰ্তব্য, বন্ধুতা, স্বাধীনতাৰ আদৰ্শ আদি পিছৰ যুগবোৰৰ বাবে সংৰক্ষিত হৈছে সেয়ে সাহিত্য-সুকুমাৰ কলাৰ সহায়েৰে সত্য আৰু সুন্দৰৰ সাজ পিন্ধি ওলোৱা জীৱনৰ অভিব্যক্তি।

সকলোৰে ভাব-প্ৰকাশৰ কিছুমান সঙ্কেত বা ভাষা আছে, কিন্তু আটাইৰে সাহিত্য নাই; সেই দেখি সকলোৱে নিজৰ মনৰ ভাববোৰ যুগমীয়াকৈ পিছৰ কাললৈ সাঁচি ৰাখি যাব নোৱাৰে। কিন্তু অসমীয়া চহা জীৱনৰ দৰে জগতৰ অনেক জাতিৰ নিৰক্ষৰ সম্প্ৰদায়ৰ ভিতৰত সদায় সাহিত্যৰ উপযোগী এনে অসংখ্য গীত-মাত, যোজনা-ফকৰা থাকে—যিবোৰ হয়তো বহুত দিনলৈ লিপিবদ্ধ নহয়, আৰু হ'লে সিহঁতে বিশ্ব-সাহিত্যৰ কলেৱৰ আৰু মূল্য ভালেখিনি বঢ়ায়। সভ্যতাৰ পোহৰ বিস্তাৰিত হোৱাৰ লগে লগে এফালে মানুহ যেনেকৈ প্ৰাকৃতিক অৱস্থাৰপৰা ভালেমান আঁতৰি পৰিছে, সেইদৰে সাহিত্যতো নানা কৃত্ৰিমালি সোমাইছে; তেনে মাৰ্জিত সাহিত্যত অকপটতাৰ অভাৱৰ হেতুকে তাত আদিম মানুহৰ ভিতৰখনৰ বিশ্বাসযোগ্য দাপোণ পোৱা টান। কিন্তু মূল মানৱ-প্ৰকৃতিৰ হুবহু চিত্ৰ চাব পাৰি এই গীত-মাতবোৰৰ ভিতৰেদি, যিবোৰ এতিয়াও প্ৰচলিত আছে এনে সমাজতহে যি এতিয়ালৈ নতুন সভ্যতা-বৃক্ষৰ গুটিৰ জুতি পোৱা নাই। তথাপি হাজাৰো এই গীত-মাতবোৰ এনে আওহতীয়া চুকত সোমাই থাওক, তাতো বাহিৰৰ কোলাহল আৰু সালসলনিৰ একোটি ক্ষীণ প্ৰতিধ্বনি গৈ নোজোকোৱাকৈ থকা নাই; আৰু সেইবোৰেও ইহঁতক নঙলাৰ মূৰৰেপৰা খেদি দিব পৰা নাই। এনে হোৱাইহে সম্পূৰ্ণ স্বাভাৱিক, কিয়নো এই নিচিনা অলপ-অচৰপ সালসলনিৰপৰাও একোটা জাতিৰ বাহিৰৰ ৰাজনৈতিক, সামাজিক আদি অৱস্থাৰ প্ৰভাৱ ভালকৈ বুজিব পৰা হয়।

কোনো বিৰাট সাহিত্যই জাতীয়তাৰ মেৰত সোমাই নাথাকে আৰু মনুষ্যত্বত বাজে একোৰে হাক নামানে। অসমীয়া এই গীত-মাতবোৰো সেইদৰে এহাতে যেনেকৈ জাতীয়, সিহাতে তেনেকৈ বিশ্বজনীনো। ইয়াৰ সৰহখিনি গীতেই বিশ্ব-মানৱৰ হৃদয়-দুৱাৰত খুন্দিয়াব। গছৰ ছাল-বাকলিতো প্ৰেম-কবিতা লিখা থকা কথা ইউৰোপীয় সাহিত্যত শ্বেক্সপিয়েৰৰ ৰোমাঞ্চিতকাৰী "ৰোমাঞ্চ",

সন্দেহ নাই; কিন্তু তাতকৈ কোনো গুণে হীন নোহোৱা অনুৰাগ-পূৰ্বৰাগৰ কবিতা আজিলৈকে অসমৰ আকাশে-বতাহে সদায় "কমোৱা তুলাবোৰ, যেনেকৈ উৰিছে, তেনেকৈ উৰি" ফুৰিছে। শ্বেক্সপিয়েৰৰ এৰিয়েলে মৌমাখিৰ লগত, ভোমোৰাৰ পিঠিত উঠি আনন্দ উপভোগ কৰাৰ হাবিয়াহ কৰিছিল। এৰিয়েল মানুহ নহয়, সি মানুহৰ প্ৰকৃতি ধৰিছিল মাথোন; কিন্তু আমাৰ চহা কবিয়ে গন্ধৰ্ব তেজ-মঙহৰ শৰীৰ হৈও তাতকৈ হীন আবেগ বা কল্পনা-শক্তিৰে কোৱা নাই—

হাঁহ হৈ চৰিমগৈ, তোমাৰে পুখুৰীত, পাৰ হৈ পৰিমগৈ চালত।
ঘাম হৈ সোমামগৈ, তোমাৰে শৰীলত, মাখি হৈ চুমা দিম গালত।।

কাউপাৰৰ আলেকজেণ্ডাৰ ছেলকাৰ্কৰ মান বহুদৰ্শী বা জ্ঞানী অসমীয়া চহা কবি নহয়; কিন্তু সেই নায়কে সমাজ, বন্ধুতা আৰু প্ৰেমৰ মাধুৰী চাকিবলৈ কপৌৰ পাখিৰ অভাৱ যিদৰে অনুভৱ কৰিছে, আমাৰ চহা কবিয়েও "চৰাই হোৱা হ'লে, উৰি গ'লোঁহেঁতেন" বুলি একে কল্পনাৰে প্ৰমাণ দিছে। অসমীয়াৰ জাত-কুলৰ বিৰোধতকৈ কেপুলেট আৰু মণ্টেগু পৰিয়ালৰ খৰিয়ালখন নিশ্চয় গুৰুতৰ নহয়, তথাপি য'ত জুলিয়েটে তেওঁৰ প্ৰেমিকাক কৈছে—"ৰোমিও ৰোমিও, তুমি ৰোমিও কিয়নো? পিতৃনাম এৰাঁ তবু, এৰাঁ নিজ নাম তব, মোৰ স্নেহ হেতু; যদিহে নকৰা তাকো, দেৱতাক সাক্ষী কৰি, হোৱাঁ মোৰ প্ৰিয়, কেপুলেট নাম মই তেবে তিয়াগিম।" অসমীয়া প্ৰেমিক-প্ৰেমিকাই কোনো শঙ্কা-খুকুৰি বা চৰ্ত মনলৈ ননাকৈয়ে এইদৰে বুকু ডাঠি সমুখ বিপদলৈ মুখ কৰি ৰৈছে

চ'তে চ'তে গৈ, বহাগে পালেহি, ফুলিলে বাবৰি ফুল।
তোমাৰে লগতে, মৰোঁ যদি মৰিম ঐ, এৰি যাম নিজৰে কুল।।
তোলৈ চাওঁতে, জপনা ডেওঁতে, বিন্ধিলে অঁঘেয়া হুলে।
তোৰো মনে গ'লে, মোৰো মনে গ'লে, কি কৰিব কলিতা কুলে।।

ভাষাৰ সৌষ্ঠৱৰ ফালৰপৰাও এই গীতখিনি অপূৰ্ব সৌন্দৰ্য্যব্যঞ্জক। "তই যে ক'লীয়া, অলিয়া-বলিয়া, মোকো কৰি গ'লি বাউল। জালি কটা বেৰেদি, সুহুৰি মাৰিলি, হোৱা ভাতক কৰিলি চাউল।।" ইয়াত নটি 'ল' আৰু পাঁচোটি 'ৰ'ৰ মিলনত প্ৰেমৰ মধুৰতা যেনেকৈ চৰিছে, সেইদৰে ভাব আৰু কল্পনাৰ অভিনৱ সমাবেশ ঘটিছে। "হোৱা ভাতক চাউল" কৰা আৰু কৃষ্ণৰ বাঁহীৰ মাতত "যমুনা উজাই বোৱা"—একে শাৰীৰ কল্পনা-মাহাত্ম্য। সেইদৰে "অতি মৰমৰে, মুগাৰে মহুৰা, অতি মৰমৰে মাকো। অতি মৰমৰে, বহাগৰ বিহুটি, নেপাতি কেনেকৈ থাকোঁ।।" বোলাত যি অনুভূতি প্ৰকাশ পাইছে, সি যেনে সৰল, তেনে স্বাভাৱিক, তেনে জাতীয় আৰু হৃদয়স্পৰ্শী। ইয়াত কবিয়ে 'গ', 'ম' আদি কোমল ব্যঞ্জনৰ অনুপম অনুপ্ৰাস আৰু ব্যঞ্জনাৰে স্ত্ৰী-হৃদয়ৰ সকলো কোমলতা আৰু মধুৰতা দুগুণে বঢ়াই মুখতে পমি যোৱা এক অমিয়া মাধুৰীৰ সৃষ্টি কৰিছে।